**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-10-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধন কৰিবলৈ আহ্বান জনাইছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান দেওঘৰৰ দ্বিতীয় দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে।

৩। শেহতীয়াকৈ অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপি দলৰ জয়ে দেশত অৰাজকতা সৃষ্টি কৰিব বিচৰা দলসমূহৰ প্ৰচেষ্টাক গণতন্ত্ৰই প্ৰতিহত কৰিছে বুলি বিজেপিৰ সাংসদ ৰবী শংকৰ প্ৰসাদে দাবী কৰিছে।

৪। দিল্লীৰ এখন আদালতে আজি দয়ালপুৰ অঞ্চলত ২০২০ চনত উত্তৰ-পূব দিল্লী হিংসাত্মক ঘটনাৰ সৈতে জড়িত এটা গোচৰত আপৰ প্ৰাক্তন পাৰিষদ তাহিৰ হুছেইনক অভিযুক্ত কৰে।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ ইণ্ডোৰত অনুষ্ঠিত হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধন কৰিবলৈ আহ্বান জনাইছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে আফ্ৰিকালৈ যোৱা ড০ জয়শংকৰে আদ্দিছ আবাবাত আদৱা ভিক্ট'ৰীয়া মেম'ৰিয়েলত এখন সমাৱেশত ভাষণ দি কয় যে গোলকীয় নীতি-নিৰ্ধাৰণ প্ৰণালী ভাৰত আৰু আফ্ৰিকা প্ৰতিনিধিত্বৰ পৰা বঞ্চিত হৈ থাকিব নোৱাৰে। তেওঁ লগতে কয় যে নিৰাপত্তা পৰিষদৰ পূৰ্ণকালীন আৰু অস্থায়ী সদস্যৰ পদত আফ্ৰিকাৰ উপযুক্ত প্ৰতিনিধিত্ব থকা উচিত। মন্ত্ৰীগৰাকীয়ে ২০২৩ চনত জি-২০ৰ অধ্যক্ষতাত আফ্ৰিকীয় সংঘৰ পূৰ্ণকালীন সদস্য পদ নিশ্চিত কৰিবলৈ ভাৰতৰ প্ৰয়াসক দোহাৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰত হৈছে আফ্ৰিকাৰ চতুৰ্থ বৃহৎ বাণিজ্যিক সহযোগী ৰাষ্ট্ৰ, যাৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ প্ৰায় ১০০ বিলিয়ন ডলাৰত উপনীত হৈছে। ভাৰতীয় ব্যৱসায়ীসকলক তেওঁ আফ্ৰিকা মহাদেশত বিনিয়োগ কৰিবলৈ আহ্বান জনায় আৰু খাদ্য সুৰক্ষা, কৃষি আৰু বহনক্ষম উন্নয়নত শক্তিশালী সহযোগিতা স্থাপন কৰিবলৈ আহ্বান জনায়।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান- এইমছ দেওঘৰৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ অনুষ্ঠানত উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এইমছ দেওঘৰ হৈছে সুস্থিৰ আৰু সামগ্ৰিক উন্নয়নৰ উৎকৃষ্ট প্ৰতীক। তেওঁ ভাষণত দেশৰ প্ৰতিটো অঞ্চলৰ লোকৰ বাবে উন্নত চিকিৎসা শিক্ষা আৰু স্বাস্থ্য সেৱাৰ নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ

কৰে। এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে চিকিৎসা পাঠ্যক্ৰমত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰী প্ৰদান কৰে। তেওঁ লগতে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত উৎকৃষ্ট ফলাফলৰ বাবে ১১ গৰাকী মেধাৱী শিক্ষাৰ্থীক বিশেষভাৱে সন্মানিত কৰে। অনুষ্ঠানত ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰ, কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱ, ঝাৰখণ্ডৰ স্বাস্থ্যমন্ত্ৰী ড০ ইৰফান আনছাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

শেহতীয়াকৈ অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপি দলৰ জয়ে দেশত অৰাজকতা সৃষ্টি কৰিব বিচৰা দলসমূহৰ প্ৰচেষ্টাক গণতন্ত্ৰই প্ৰতিহত কৰিছে বুলি বিজেপিৰ সাংসদ ৰবী শংকৰ প্ৰসাদে দাবী কৰিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত বিজেপি সাংসদগৰাকীয়ে কয় যে দলটো শান্তিপূৰ্ণ প্ৰতিবাদৰ পৰিপন্থী নহয়, কিন্তু বিৰোধী দলসমূহে নিৰ্বাচনী পৰাজয়ৰ ক্ষতিপূৰণৰ বাবে পথত প্ৰতিবাদ সাব্যস্ত কৰাৰ দৰে পন্থা লবলগীয়া হৈছে। তেঁও লগতে বিৰোধী দলসমূহে তেওঁলোকৰ প্ৰতিবাদৰ জৰিয়তে বিগত ৩-৪ দিন ধৰি দিল্লীৰ জনসাধাৰণৰ বাবে অসুবিধাৰ সৃষ্টি কৰা বুলি অভিযোগ তোলে। গণতন্ত্ৰ আৰু সংসদলৈ নিৰ্বাচিতসকলৰ উত্তৰদায়িত্বৰে দেশ পৰিচালিত হ'ব বুলি বিজেপি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ ভাৱমুৰ্তি ম্লান কৰা বুলিও অভিযোগ তোলে।

০০০০০

দিল্লীৰ এখন আদালতে আজি দয়ালপুৰ অঞ্চলত ২০২০ চনত উত্তৰ-পূব দিল্লী হিংসাত্মক ঘটনাৰ সৈতে জড়িত এটা গোচৰত আপৰ প্ৰাক্তন পাৰিষদ তাহিৰ হুছেইনক অভিযুক্ত কৰে। অতিৰিক্ত সত্ৰ ন্যায়াধীশ প্ৰবীন সিঙে ভাৰতীয় দণ্ড বিধিৰ কেইবাটাও ধাৰাত হিংসাত্মক ঘটনা সংঘটিত কৰিবলৈ উচতনি দিয়াৰ অভিযোগত হুছেইনক অভিযুক্ত কৰে। ন্যায়ালয়ে হুছেইনৰ বিৰুদ্ধে শাস্তিৰ পৰিমাণ ঘোষণা কৰিবলৈ অহা ১৬ নৱেম্বৰত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। ইয়াৰ পূৰ্বে যোৱা জুলাই মাহত দিল্লীৰ এখন আদালতে ২০২০ চনত উত্তৰ-পূব দিল্লী হিংসাত্মক ঘটনাৰ সময়ত চোৰাংচোৱা ব্যুৰ'ৰ এগৰাকী বিষয়া অংকিত শৰ্মাক হত্যা কৰাৰ এটা গোচৰত আপ নেতা হুছেইন আৰু অন্য চাৰিজনক অভিযুক্ত কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি জন-ধন যোজনাৰ জৰিয়তে চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

**প্ৰতিবেদন–** ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰম্ভ হোৱা প্ৰধানমন্ত্ৰী জন-ধন যোজনাই ভাৰতৰ বিত্তীয় ক্ষেত্ৰখনত উল্লেখনীয় অৱদান আগবঢ়াইছে। ৫৯ কোটিৰো অধিক জন-ধন একাউণ্টৰ সৈতে এই আঁচনিখন বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ বিত্তীয় অন্তৰ্ভুক্তিলৈ পৰিণত হৈছে। এই যোজনাই প্ৰতিটো ঘৰৰ বাবে সাৰ্বজনীন বেংকি সুবিধা প্ৰদান কৰাৰ লগতে প্ৰত্যক্ষ সুবিধা হস্তান্তৰত পথ প্ৰশস্ত কৰে।

জন-ধন যোজনাই ভাৰতৰ বেংকি ক্ষেত্ৰত উল্লেখনীয় পৰিৱৰ্তন সৃষ্টি কৰিছে আৰু আজি দেশৰ প্ৰায় প্ৰতিটো পৰিয়ালে বেংকিং ব্যৱস্থাৰ সৈতে সংযুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জোধপুৰত বায়ুসেনাৰ বহুজাতিক অনুশীলন **তৰংগ শক্তি**ৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰতীয় বায়ুসেনা জোৱানসকলৰ লগতে অংশগ্ৰহণকাৰী আন দেশৰ বায়ু সেনাৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে। তেওঁ আধুনিক যুদ্ধ বিমানৰ এক আকৰ্ষণীয় প্ৰদৰ্শনী উপভোগ কৰাৰ লগতে দেশত থলুৱাভাৱে নিৰ্মিত যুদ্ধ বিমানৰ লগতে বহিঃ ৰাষ্ট্ৰৰ বিমান প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। এই বহুজাতিক **তৰংগ শক্তি**য়ে বায়ু সেনাৰ অনুশীলনত বিভিন্ন দেশৰ বায়ু সেনাৰ নিজৰ কাৰ্যকৰী দক্ষতা, উন্নত বিমান প্ৰযুক্তি আৰু সামৰিক সমন্বয়ৰ ক্ষমতা প্ৰদৰ্শনৰ বাবে এখন মঞ্চ প্ৰদান কৰে।

ooooo

দেশৰ ৰাজধানীত প্ৰতিবাদৰ সময়ত দিল্লী আৰক্ষীয়ে গুলীচালনা কৰা বুলি পাকিস্তানে অপ্ৰচাৰ চলোৱা এটা বিভ্ৰান্তিকৰ ভিডিঅ' আজি চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ্ ইনফৰমেচন ব্যুৰ' চমুকৈ পি আই বিয়ে স্পষ্ট কৰি দিছে যে এই ভিডিঅ'টো দিল্লীৰ যন্তৰ-মন্তৰত হোৱা প্ৰতিবাদৰ সৈতে কোনো সম্পৰ্ক নাই। লগতে পি আই বিয়ে এই ভিডিঅ'টো দেশত অৰাজকতা সৃষ্টি কৰিবলৈ পাকিস্তানে ভুৱা প্ৰচাৰ কৰা বুলি স্পষ্ট কৰি দিছে।

ooooo

ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, NIA-এ ডুবাইৰ পৰা তেল আভিভ অভিমুখী এখন বিমানত কেপ্টেইন স্মিট মাচ্চাৰক ক'কপিটৰ ভিতৰত আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছে। অপহৰণ প্ৰতিৰোধী আইন ২০১৬ আৰু অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইন ১৯৬৭ৰ বহুকেইটা ধাৰাত গোচৰটো পঞ্জীয়ন কৰা হৈছে। গুজৰাট নিবাসী কেপ্টেইন স্মিট মাচ্চাৰক যোৱা ৩০ ছেপ্তেম্বৰত এখন চলন্ত বিমানৰ ক'কপিটত সহপাইলটৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল। ২৭ জন শিশুকে ধৰি বিমানখনে ১৭৪ জন যাত্ৰীক কঢ়িয়াই আনিছিল। আহত হোৱা সত্বেও যাত্ৰীসকলৰ জীৱন ৰক্ষা কৰা কেপ্টেইন মাচ্চাৰৰ সাহসিকতাক বিশ্বৰ বহুজন নেতাই প্ৰশংসা কৰিছে।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ ইণ্ডোৰত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব।

যোৱা নিশা ৰাঁচীত অনুষ্ঠিত দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক ছয় উইকেটত পৰাস্ত কৰাত সম্প্ৰতি পাঁচখনীয়া শৃংখলাটোত ১-১ৰ সমতা স্থাপন হয়। ৱেষ্ট ইণ্ডিজে ১৮ অভাৰ তিনিটা বলত ২৫২ ৰান কৰি ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ২৫০ ৰাণৰ লক্ষ্য অতিক্ৰম কৰে। আলহী দলটোৰ অধিনায়ক ছাই হোপে ৪৫ টা বলত ১০২ ৰান কৰাৰ লগতে ছাৰ্ফেন ৰাডাৰফ'ৰ্ডে ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। ছাই হোপক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই অহা সোমবাৰে আহমেদাবাদত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ পৰম্পৰাগত আৰু থলুৱা ক্ৰীড়া প্ৰদৰ্শনী ২০২৬ উদ্বোধন কৰিব। ভাৰতৰ ব্ৰীকচৰ অধ্যক্ষতাত গুজৰাট চৰকাৰৰ সহযোগত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে এই প্ৰদৰ্শনীৰ আয়োজন

কৰিছে। এই গেমছত ব্ৰীকচৰ সদস্য ৰাষ্ট্ৰ আৰু অংশীদাৰ দেশসমূহে নিজ নিজ পৰম্পৰাগত আৰু থলুৱা ক্ৰীড়া পদ্ধতিসমূহ প্ৰদৰ্শন কৰিব। মন্ত্ৰালয়ে জনোৱা মতে, এই প্ৰদৰ্শনীয়ে ক্ৰীড়াৰ জৰিয়তে সাংস্কৃতিক বিনিময়, ঐতিহ্য সংৰক্ষণ আৰু জনসাধাৰণৰ মাজৰ সহযোগিতাৰ প্ৰসাৰ কৰিব। এই প্ৰদৰ্শনীৰ সুযোগতে অভ্যাগত প্ৰতিনিধিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই বৈঠকসমূহৰ জৰিয়তে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ মাজত ক্ৰীড়া সহযোগিতা বৃদ্ধি আৰু পৰম্পৰাগত তথা থলুৱা খেলৰ প্ৰসাৰৰ ক্ষেত্ৰত সুযোগ অন্বেষণৰ  লক্ষ্য লোৱা হৈছে বুলি মন্ত্ৰালয়ে উল্লেখ কৰে।

ooooo

সমাপ্ত